No. of Printed Pages—2

83 (BBS3)

[17-HDGKACRM-M3]

MA 3rd Semester Exam., 2017

ASSAMESE

[MAS (S3) 10 (Lan)]

(ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) 'ভাষাবিজ্ঞান' অভিধাটোৰ মূল কি ?

(b) খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাৰ পৰা বৰ্তমান পৰ্যন্ত ভাষাচিন্তাৰ ক্ৰমবিকাশৰ ইতিহাসক কি ধৰণে ভাগ কৰা হৈছে ?

(c) অনু-ভাষাবিজ্ঞান আৰু অখণ্ড ভাষাবিজ্ঞান বুলিলে কি বুজে ?

(d) সৰ্গৰ গুণগত বিভাজনৰ উপবিভাগ দুটা কি কি ?

(e) পৃথিৱীত প্ৰচলিত ভাষাসমূহ কিমানটা ভাষা-পৰিয়ালৰ অন্তৰ্গত ? ইণ্ডো-ইউৰোপীয় ভাষাৰ পৰা উদ্ভৱ হোৱা আধুনিক ভাষাকেইটামানৰ নাম উল্লেখ কৰক ।

(f) মোন-খোমেৰ উপশাখাৰ ভাষাসমূহ কি কি ? মোন-খোমেৰ উপশাখাটোৰ মূল শাখা কি ?

2. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) ভাষাতত্ত্বৰ ধাৰাত নব্য-বৈয়াকৰণ গোষ্ঠীৰ অৱদান কি ?

(b) উপভাষাবিজ্ঞান বুলিলে কি বুজে ?

(c) বাচ্য মানে কি ?

(d) আমেৰিকাৰ আদিম ভাষাবৰ্গৰ পৰিচয় দিয়ক ।

3. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) সমকালীন ভাষাবিজ্ঞানে সাঙুৰি লোৱা বিষয়সমূহ কি কি ?

(b) ধ্বনিতত্ত্ব বুলিলে কি বুজে ? ইয়াৰ প্ৰধান ভাগ দুটাৰ বিষয়ে এটি চমু টোকা প্ৰস্তুত কৰক।

(c) ইণ্ডো-ইউৰোপীয় ভাষা-পৰিয়ালৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ কি কি ?

(d) চমু টোকা লিখক :

লাঁগ (Langue) আৰু পেৰ'ল (Parole), সূচক আৰু সূচিত।

4. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) ভাষাবিজ্ঞানৰ ধাৰা—এই বিষয়ে এটি আলোচনা আগবঢ়াওক।

(b) নৃতাত্ত্বিক ভাষাবিজ্ঞানৰ পৰিসৰ বিষয়ক এটি আলোচনা দাঙি ধৰক।

(c) ইণ্ডো-ইউৰোপীয় ভাষা-পৰিয়ালৰ শ্ৰেণীবিভাজন সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

(d) আধুনিক ভাষাবিজ্ঞানলৈ নোৱম চমস্কিৰ অৱদানৰ বিষয়ে এটি প্ৰবন্ধ প্ৰস্তুত কৰক।

(e) দ্ৰাবিড় ভাষাগোষ্ঠীৰ শাখা-প্ৰশাখাসমূহ দেখুৱাই এটি নিবন্ধ যুগুত কৰক।

★★★